**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন নং - ৩৬১**
**উত্তৰ দানৰ তাৰিখ – ১৫/০৭/২০২৬**

তৰাবিহীন প্ৰশ্ন নং – ৩৬১

বিষয়ঃ টংলা সমষ্টিৰ জলসিঞ্চন বিভাগৰ সম্পৰ্কে বিধায়ক – শ্ৰীবিকন চন্দ্ৰ ডেকাঃ

**মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

টংলা বিধানসভা সমষ্টিত উল্লেখযোগ্য পৰিমাণৰ কৃষিযোগ্য ভুমি এতিয়াও জলসিঞ্চনৰ সুবিধাৰ বাহিৰত থকাৰ পৰিপ্ৰেক্ষিতত, উক্ত সমষ্টিত জলসিঞ্চনৰ পৰিসৰ বৃদ্ধি কৰাৰ বাবে চৰকাৰে কি কি পদক্ষেপ গ্ৰহণ কৰিছে ? সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

**মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা মহোদয়ে উত্তৰ দিবঃ**

টংলা বিধান সভা সমষ্টিৰ অন্তৰ্গত জলসিঞ্চন বিভাগৰ অধীনত সৰ্বমুঠ ৭,৯৯৮ হেক্টৰ কৃষিভূমি ইতিমধ্যে জলসিঞ্চনৰ আওঁতালৈ অনা হৈছে। বৰ্তমান ৪,৯৬৩ হেক্টৰ কৃষিভূমিত জলসিঞ্চনৰ সুবিধা উপলব্ধ হৈ আছে।

২০২৬–২৭ বিত্তীয় বৰ্ষত জলসিঞ্চন সুবিধা অধিক সম্প্ৰসাৰণৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী কৃষি সিচাই যোজনা ( PMKSY-HKKP-SMI) আঁচনিৰ অধীনত ৬০০ হেক্টৰ আৰু ৰাজ্য চৰকাৰৰ স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজি- সাধাৰণ ( SOPD-G) আঁচনিৰ অধীনত ১০ হেক্টৰ কৃষিভূমি নতুনকৈ জলসিঞ্চনৰ আওঁতালৈ অনাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

ইয়াৰ উপৰি, ভৱিষ্যতে ৰাজ্যত জলসিঞ্চন ব্যৱস্থাৰ অধিক উন্নয়ন আৰু সম্প্ৰসাৰণৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী কৃষি সিচাই যোজনা (PMKSY-HKKP-SMI)ৰ অধীনত ১,৫০৫ হেক্টৰ কৃষিভূমি, বাহ্যিক আৰ্থিক সহায়প্ৰাপ্ত প্ৰকল্প (EAP)ৰ অধীনত ৩,০০০ হেক্টৰ কৃষিভূমি আৰু সিঞ্চন নিয়ন্ত্ৰণাধীন এলেকা উন্নয়ন প্ৰকল্পৰ আধুনিকীকৰণ (MCAD)ৰ অধীনত ১,৫১১ হেক্টৰ কৃষিভূমিক নতুনকৈ জলসিঞ্চনৰ আওঁতালৈ অনাৰ প্ৰস্তাৱ লাভ কৰা হৈছে।

আঁচনিসমূহৰ ক্ষেত্ৰত কৃষকসকলৰ চাহিদা নিৰূপণ, সম্ভাৱ্যতা অধ্যয়ন, প্ৰাৰম্ভিক জৰীপ আদি সম্পূৰ্ণ হোৱাৰ পিছত বিভাগে পৰ্যায়ক্ৰমে পৰৱৰ্তী কাৰ্যবিধি গ্ৰহণ কৰিব। প্ৰয়োজনীয় প্ৰশাসনিকআৰু কাৰিকৰী অনুমোদন সাপেক্ষে আঁচনিসমূহ পৰ্যায়ক্ৰমে ৰূপায়ণ কৰা হ'ব।

XXXXX